# NSD NEWS BULLETIN

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-10-2026

**Time :** 1340 Hrs.

## *Assamese MIDDAY Bulletin*

**::::::::::::::::::::::::::::::::**

১। নিৰ্বাচন আয়োগে দেশৰ ১৪ খন ৰাজ্য আৰু ৩ খন কেন্দ্ৰীয়শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ নিৰ্দেশ দিছে।

২। কেন্দ্ৰীয় চৰকাৰে পি এম কেয়াৰছ্‌ ফৰ চিল্‌ড্ৰেন আঁচনিৰ অধীনত বিশেষ ছাত্ৰ বৃত্তি লাভৰ বাবে আধাৰ প্ৰমাণিকৰণ বা আধাৰ নম্বৰৰ প্ৰমাণ দিয়াটো বাধ্যতামূলক কৰিছে।

৩। ভাৰত আৰু ম্যানমাৰে মেকং-গংগা সহযোগিতামূলক পদক্ষেপৰ অংশ হিচাপে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৫টা প্ৰকল্পত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। আজি বিশ্বজুৰি আন্তঃৰাষ্ট্ৰীয় দৰিদ্ৰতা নিৰ্মূল দিৱস পালন কৰা হৈছে। ***আৰু***

৫। বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত আজি ভাৰতীয় পুৰুষ দলটো টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পঞ্চম তথা অন্তিম খেলত  ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ’ব।

০০০০

নিৰ্বাচন আয়োগে দেশৰ ১৪ খন ৰাজ্য আৰু ৩ খন কেন্দ্ৰীয়শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ নিৰ্দেশ দিছে। এই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ হৈছে অসম, বিহাৰ, চত্তিশগড়, গোৱা, গুজৰাট, কেৰলম, মধ্যপ্ৰদেশ, মণিপুৰ, পাঞ্জাৱ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পুডুচেৰী, লক্ষাদ্বীপ আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে খচৰা ভোটাৰ তালিকা ১২ নৱেম্বৰত প্ৰকাশ পাব। ভোটাৰ তালিকা সন্দৰ্ভত কোনো দাবী বা আপত্তি থাকিলে ১১ ডিচেম্বৰৰ ভিতৰত দাখিল কৰিব পাৰিব। অহা বছৰৰ ৪ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ’ব। এই সংক্ষিপ্ত সংশোধনীৰ বাবে ২০২৭ চনৰ ১ জানুৱাৰী যোগ্যতা নিৰ্ধাৰণৰ ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। আয়োগে জনোৱা মতে অহা বছৰৰ ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰত ১৮ বছৰ সম্পূৰ্ণ হোৱা যুৱ নাগৰিকসকলে আগতীয়াকৈ ইয়াৰ বাবে আবেদন কৰিব পাৰিব। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত সুবিধাৰ বাবে বিশেষকৈ প্ৰৱাসী, দুৰ্বল আৰু প্ৰান্তীয় ভোটদাতাসকলৰ সুবিধাৰ্থে জিলা পৰ্যায়ত হেল্প ডেস্ক স্থাপন কৰা হ’ব বুলি আয়োগে জনাইছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে পি এম কেয়াৰছ ফৰ চিল্ড্ৰেন আঁচনিৰ অধীনত বিশেষ ছাত্ৰবৃত্তি লাভৰ বাবে আধাৰ প্ৰমাণিকৰণ বা আধাৰ নম্বৰৰ প্ৰমাণ দিয়াটো বাধ্যতামূলক কৰিছে। সমাজ কল্যাণ আৰু সৱলীকৰণ মন্ত্ৰালয়ে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি পি এম কেয়াৰছৰ ফৰ চিল্ড্ৰেন আঁচনিৰ অধীনত বিশেষ ছাত্ৰবৃত্তি লাভ কৰা হিতাধিকাৰীসকলক প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ নিৰন্তৰ শিক্ষা অব্যাহত ৰখাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অৱশ্যে আধাৰ প্ৰমাণিকৰণত বিফল হোৱা অথবা আধাৰ সংখ্যা দিব নোৱৰাৰ বাবে কোনো শিশুকে সাহায্য লাভৰ পৰা বঞ্চিত কৰা নহয় বুলি অধিসূচনাত স্পষ্ট কৰি দিয়া হৈছে। এনে ক্ষেত্ৰত শিশুৰ পৰিচয় পৰীক্ষা কৰি অধিসূচনাত উল্লেখ থকা নথি-পত্ৰৰ জৰিয়তে পিতৃ-মাতৃ বা আইনী অভিভাৱকৰ সৈতে সম্পৰ্ক স্থাপন কৰি এই সুবিধা প্ৰদান কৰা হ’ব।

০০০০

ভাৰত আৰু ম্যানমাৰে মেকং-গংগা সহযোগিতামূলক পদক্ষেপৰ অংশ হিচাপে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৫টা প্ৰকল্পত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে জনোৱা মতে এই চুক্তিয়ে পানী, অনাময় ব্যৱস্থা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতা, পথ উন্নীতকৰণ, ক্ৰীড়া সুবিধা আৰু ছফটৱেৰ সহযোগীতা আদি বিষয়সমূহ এই চুক্তিয়ে সামৰি ল’ব। ম্যানমাৰৰ ন্যেপিটাওত যোৱা বৃহস্পতিবাৰে সম্পন্ন হোৱা এই চুক্তিত ভাৰতৰ ৰাষ্ট্ৰদূত অভয় ঠাকুৰ আৰু ম্যানমাৰৰ কেন্দ্ৰীয় মন্ত্ৰী য়ু আং ক্যাও হ্যো উপস্থিত থাকে। স্থানীয় প্ৰয়োজনীয়তা পূৰণৰ লগতে ম্যানমাৰৰ জনসাধাৰণক উপকৃত কৰাৰ লক্ষ্যৰে এই প্ৰকল্প গ্ৰহণ কৰা হৈছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে ভাৰত চৰকাৰে ম্যানমাৰক বছৰি ৫০০ হাজাৰ আমেৰিকান ডলাৰ আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে চলিত বছৰৰ মাৰ্চত সমগ্ৰ ম্যানমাৰত ২৫টাকৈও অধিক এনে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱা প্ৰকল্পত অনুমোদন জনোৱা হৈছে। যোগাযোগ, স্বাস্থ্য খণ্ড, শিক্ষা, গ্ৰাম্য আন্তঃগাঁথনি, নৱীকৰণযোগ্য শক্তি আৰু দক্ষতা বিকাশ খণ্ডৰ উন্নয়নৰ বাবে ভাৰতে ম্যানমাৰলৈ আৰ্থিক সাহায্য আগবঢ়াই আহিছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ১৯ আৰু ২০ অক্টোবৰত মুম্বাইত সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী শ্বেখ আব্দুলা বিন-জায়েদ-আল নাহিয়ানৰ সৈতে বৈঠকত মিলিত হ’ব। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উমৈহতীয়া কৌশলগত অংশীদাৰিত্বৰ অধীনত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ সকলো বিষয় পৰ্যালোচনা কৰাৰ সুবিধা প্ৰদান কৰিব। দুয়োপক্ষই শক্তি, বাণিজ্য আৰু বিনিয়োগ, ফিনটেক, প্ৰতিৰক্ষা আৰু যোগাযোগ আদি পদক্ষেপসমূহৰ পৰ্যালোচনা কৰিব। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে মুম্বাইত অহা ২০ অক্টোবৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী মাৰ্ক’ ৰুবীঅ’ৰ সৈতে বৈঠকত মিলিত হ’ব। ড০ জয়শংকৰে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতাৰ ২৫০ বছৰ উদযাপনৰ কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। শ্ৰীজয়ছোৱালে কয়, যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক পৰ্যালোচনা কৰাৰ সুবিধা প্ৰদান কৰিব আৰু উমৈহতীয়া গোলকীয় কৌশলগত অংশীদাৰিত্ব আৰু অধিক সুদৃঢ় কৰাৰ আলোচনাৰ পথ মুকলি কৰিব।

০০০০

শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে চৌদিশে উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। আজি সপ্তমীত ভক্তিপ্ৰাণ ৰাইজে দেৱী কালৰাত্ৰিক সকলো অপায়-অমংগল, অশুভ শক্তি আঁতৰাই শুভ শক্তিক প্ৰতিষ্ঠা আৰু কল্যাণৰ বাবে আৰাধনা কৰিছে। জনবিশ্বাস অনুসৰি মা কালৰাত্ৰিয়ে অশুভ শক্তিক দমন কৰি অগ্নি, পানী, জীৱ-জন্তু, শত্ৰু আৰু ৰাতিৰ ভয়ৰ পৰা সকলোকে মুক্ত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ সপ্তমীৰ দিনা আজি মা কালৰাত্ৰিক পূজা-অৰ্চনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে মা কালৰাত্ৰিয়ে প্ৰত্যেকৰে জীৱন নতুন শক্তি আৰু বিশ্বাসেৰে উজ্বলাই তুলিব বুলি কামনা কৰে। তেওঁ লগতে মা দুৰ্গাৰ আশীৰ্বাদত সু-স্বাস্থ্য আৰু সমৃদ্ধি বৰ্তি থাকিবলৈ প্ৰাৰ্থনা কৰে।

০০০০

আজি আন্তঃৰাষ্ট্ৰীয় দৰিদ্ৰতা নিৰ্মূল দিৱস। ১৯৮৭ চনৰ ১৭ অক্টোবৰত পেৰিছৰ ট্ৰকেডেৰো চহৰত লক্ষাধিক লোক দাৰিদ্ৰ্য, হিংসা আৰু ক্ষুধাৰ বলি হোৱা লোকসকলৰ সন্মানৰ অৰ্থে একগোট হৈছিল। ১৯৪৮ চনত এই ঠাইতে মানৱ অধিকাৰৰ বিশ্ব ঘোষণা পত্ৰত স্বাক্ষৰ কৰা হৈছিল। ট্ৰকেডেৰো চহৰত সমবেত লোকসকলে ক্ষুধা মানৱ অধিকাৰৰ অন্তৰায় বুলি অভিহিত কৰাৰ লগতে মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছিল। তেতিয়াৰেপৰা বিভিন্ন দল-মত, বিশ্বাস, চিন্তাৰ লোকসকলে প্ৰতিবছৰে এই দিনটোত একগোট হৈ দৰিদ্ৰসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৯২ চনৰ ২২ ডিচেম্বৰত ১৭ অক্টোবৰ দিনটোক আন্তৰ্জাতিক দৰিদ্ৰতা নিৰ্মূলকৰণ দিৱস হিচাপে ঘোষণা কৰে। এই দিৱসৰ উদ্দেশ্য হৈছে দৰিদ্ৰ লোকসকলৰ শিক্ষা, স্বাস্থ্য আৰু জীৱিকা সুনিশ্চিত কৰা আৰু এই সুবিধা লাভৰ বাবে সচেতনতা সৃষ্টি কৰা।

০০০০

অসমৰ গোলাঘাট, নগাঁও আৰু হোজাই জিলা প্ৰশাসনে মুঠ ৪ হাজাৰ ৭৫৮ বিঘা দখলীকৃত ভূমিত আজি উচ্ছেদ অভিযান চলাইছে। গোলাঘাট জিলাৰ মেৰাপানীৰ নেঘেৰীবিলত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযানত প্ৰশাসনে ৫৯ টা পৰিয়ালৰ বাসগৃহ উচ্ছেদ কৰে। আজি পুৱাৰেপৰা বন বিভাগৰ লগতে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত এই উচ্ছেদ অভিযান চলোৱা হৈছে। উল্লেখযোগ্য যে যোৱাবৰ্ষৰ জুলাইত নেঘেৰিবিলত প্ৰায় ৫০ একৰ ভূমিত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান চলোৱা হৈছিল। সেই সময়ত অঞ্চলটোৰ ২০৫ টা পৰিয়ালৰ ৫৯ টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত প্ৰশাসনে এই অভিযান স্থগিত ৰাখিছিল। পৰৱৰ্তী সময়ত আদালতৰ ৰায় চৰকাৰৰ পক্ষে হোৱাত আজি পুনৰ উচ্ছেদ অভিযান চলোৱা হয়। জিলাখনৰ সৰুপথাৰৰ গেলাজান আৰু জয়পুৰতো আজি ৭২ টা পৰিয়ালৰ বাসগৃহ উচ্ছেদ কৰা হয়।

প্ৰশাসনে আজি নগাঁও আৰু হোজাই জিলাতো উচ্ছেদ অভিযান চলায়। হোজাইৰ যমুনা মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৫২৫ বিঘা দখলীকৃত ভূমি উচ্ছেদৰ বাবে অভিযান চলোৱা হৈছে। নগাঁও জিলা প্ৰশাসনে বৰপানী আৰু লুটিমাৰী অঞ্চলত কেইবাশ বিঘা ভূমি অবৈধভাৱে দখল কৰি থকা লোকৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে ওড়িশা ছাত্ৰ সন্থাৰ নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ – এ বি ভি পিৰ বিজয়ৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে পঞ্জাৱ বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয় আৰু বৰ্তমান ওড়িশাৰ ১৩ খন বিশ্ববিদ্যালয়ত এ বি ভি পিৰ বিজয়ে এই কথা

স্পষ্ট কৰি দিছে যে ৰাষ্ট্ৰ প্ৰথম আদৰ্শৰে দেশৰ যুৱ প্ৰজন্ম উদ্বুদ্ধ হৈছে। তেওঁ লগতে কয়, যে যুৱ প্ৰজন্মৰ এই বিজয়ে দেশ বিৰোধী শক্তিসমূহৰ প্ৰতি এটা বাৰ্তা বহন কৰিছে।

০০০০

নাগালেণ্ডৰ মুককচুং জিলাৰ লংথো আৰক্ষী থানাৰ অন্তৰ্গত লংফাইমচেন গাঁৱত ভেজাল সুৰা সেৱন কৰি তিনিজন লোকৰ মৃত্যু হয়। আৰক্ষীয়ে মৃত লোককেইজনৰ ফৰেনচিক পৰীক্ষাৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব বুলি জনাইছে। মৃত লোককেইজন অসমৰ যোৰহাট জিলাৰ নিবাসী আছিল আৰু লংফাইমচেন গাঁৱত কৃষি কাৰ্যত নিয়োজিত হৈ আছিল। মুককচুং জিলাত প্ৰায় এমাহ পূৰ্বে ভেজাল সুৰা সেৱনৰ ফলত ৮ জন লোকৰ মৃত্যু হৈছিল।

০০০০

বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত আজি ভাৰতীয় পুৰুষ দলটো টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পঞ্চম তথা অন্তিম খেলত ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব।

ইফালে, ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ ৰায়পুৰত অনুষ্ঠিত হব।

ৰায়পুৰৰ ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে জিম্বাব'ৱেক ৪ উইকেট পৰাস্ত কৰে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল ২০ অক্টোবৰত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে ভাৰত আৰু জিম্বাব'ৱে প্ৰথমবাৰৰ বাবে এই দ্বিপাক্ষিক শৃংখলাত অংশগ্ৰহণ কৰিছে। টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ পাছতে ভাৰত আৰু জিম্বাব'ৱেৰ মাজত তিনিখন এদিনীয়া খেল অহা ২৩, ২৫ আৰু ২৮ অক্টোবৰত বড়োডৰাত অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত